# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-10-2023
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১) প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি মধ্যপ্ৰদেশৰ জবলপুৰত ১২ হাজাৰ ৬০০ কোটি টকাৰ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

২) মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিটিআৰ অঞ্চলৰ পথ আন্তগাঠনিৰ উন্নয়নৰ বাবে ৫০০ কোটি টকা প্ৰদান কৰাৰ কথা ঘোষণা কৰিছে।

৩) ছিকিমত ডাৱৰ বিস্ফোৰণৰ ফলত সৃষ্টি হোৱা আকস্মিক বানত ১৮ গৰাকী লোকে প্ৰাণ হেৰুওৱাৰ লগতে ২৬ গৰাকী লোক আঘাতপ্ৰাপ্ত হৈছে।

৪) ভাৰতে চীনত অনুষ্ঠিত এছিয়ান গেমছত এতিয়ালৈকে ২১টা সোণ, ৩২ ৰূপ আৰু ৩৩টা ব্ৰঞ্জসহ মুঠ ৮৬টা পদক লাভ কৰিছে।

*আৰু*

৫) নিউজিলেণ্ডে যোৱানিশা আহমেদাবাদত অনুষ্ঠিত বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন খেলত ইংলেণ্ডক ৯ উইকেটতত পৰাস্ত কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি মধ্যপ্ৰদেশৰ জবলপুৰত ১২ হাজাৰ ৬০০ কোটি টকাৰ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে বীৰাংগনা ৰাণী দুৰ্গাৱতী স্মাৰকৰ ভূমি পূজনতো ভাগ লয়। প্ৰধানমন্ত্ৰীয়ে ৰাণী দুৰ্গাৱতীৰ স্মৃতিত এটা ডাক-টিকটো উন্মোচন কৰে। এই উপলক্ষে শ্ৰী মোদীয়ে কয় যে পূৰ্বৰ চৰকাৰসমূহে দেশৰ মহান ব্যক্তি আৰু জনজাতীয় সমাজলৈ সন্মান প্ৰদান কৰিবলৈ পাহৰি গৈছিল আৰু তেওঁ কয় যে প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীয়ে প্ৰথমে জনজাতীয় মন্ত্ৰ্যালয় গঠন কৰিছিল আৰু জনজাতীয় সমাজক সন্মান প্ৰদান কৰিছিল। শ্ৰী মোদীয়ে কয় যে তেওঁৰ চৰকাৰে চৰকাৰৰ পৰিসংখ্যাৰ পৰা ১১ কোটি ভুৱা নাম আঁতৰ কৰিছে আৰু ইয়াৰ ফলত কোষাগাৰৰ ধনৰ লুণ্ঠন বন্ধ হৈছে। বৰ্তমান চৰকাৰে জন-ধন, আধাৰ আৰু ম'বাইল ব্যৱহাৰৰ জৰিয়তে ২ লাখ ৫০ হাজাৰ কোটি টকা চুৰি হোৱাৰ পৰা ৰক্ষা কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে সম্প্ৰতি মধ্য প্ৰদেশ এনে এটা সন্ধিক্ষণত থিয় হৈ আছে যে উন্নয়নৰ গতি স্তব্ধ হ'লেই ৰাজ্যখন বিপৰ্যয়ৰ সন্মুখীন হ'ব। পৰৱৰ্তী ২৫ টা বছৰ অতিকে গুৰুত্বপূৰ্ণ বুলিও তেওঁ মন্তব্য কৰে। তেওঁ কয় যে এয়া কঠোৰ পৰিশ্ৰম কৰা আৰু সঠিক সিদ্ধান্ত গ্ৰহণ কৰাৰ সময়।

০০০০

বাণিজ্য আৰু উদ্যোগ, গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ আৰু বস্ত্ৰমন্ত্ৰী পীযুষ গোৱেলে দুদিনীয়া কাৰ্যসূচীৰে সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰ ভ্ৰমণ কৰিছে। বিগত দুবছৰৰ ভিতৰত মন্ত্ৰীগৰাকীয়ে এইবেলি তৃতীয়বাৰৰ বাবে দেশখন ভ্ৰমণ কৰিছে। এই ভ্ৰমণৰ জৰিয়তে ভাৰত আৰু সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰৰ মাজৰ অৰ্থনৈতিক আৰু বাণিজ্যিক বন্ধুত্ব প্ৰতিফলিত হৈছে। এই ভ্ৰমণৰ প্ৰথমদিনা মন্ত্ৰীগৰাকীয়ে আবুধাবি বিনিয়োগ প্ৰাধিকৰণৰ পৰিচালন সঞ্চালক শ্বেখ হামেদ বিন জায়েদ অল নাহায়ানৰ সৈতে ভাৰত-সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰৰ বিনিয়োগ সম্বন্ধীয় উচ্চ পৰ্যায়ৰ কাৰ্যগোটৰ একাদশ বৈঠকত সহ-অধ্যক্ষতা কৰে। দুয়োখন দেশহৰ মাজৰ বাণিজ্য, বিনিয়োগ আৰু অৰ্থনৈতিক বান্ধোন সংবৰ্ধনৰ উদ্দেশ্যে ২০১৩ চনত এই কাৰ্যগোট গঠন কৰা হৈছিল। বৈঠকত দুয়োগৰাকী নেতাই উভয় দেশৰ সংস্থাসমূহৰ দ্বিপাক্ষিক বিনিয়োগৰ পৰ্যালোচনা কৰে। তদুপৰি বৈঠকত আন্তঃগাঁথনি, শক্তি, খাদ্য সুৰক্ষা, সেউজ হাইড্ৰ’জেন আৰু নবীকৰণযোগ্য শক্তিকে ধৰি ভৱিষ্যতৰ যুটীয়া বাণিজ্য আৰু বিনিয়োগ সহযোগিতাৰ সম্ভাব্য ক্ষেত্ৰসমূহৰ দ্বিপাক্ষিক বিনিয়োগৰ অন্বেষণ কৰা হয়।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিটিআৰ অঞ্চলৰ পথ আন্তগাঠনিৰ উন্নয়নৰ বাবে ৫০০ কোটি টকা প্ৰদান কৰাৰ কথা ঘোষণা কৰিছে। বাক্সা জিলাৰ এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে কালি এই এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে বিটিআৰৰ পথ আন্তগাথনিৰ উন্নয়নৰ লক্ষ্যৰে অচিৰেই ৫০০ কোটি টকাত অনুমোদন জনাব। ড০ শৰ্মাই কয় যে তেওঁৰ চৰকাৰে অসম আৰক্ষীৰ ৫ হাজাৰ ৬০০ পদ পূৰণ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে বিটিআৰৰ যুৱক-যুৱতীসকলক কৰ্ম সংস্থাপনৰ এই সুযোগৰ সদ্ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে অসমত জলবায়ু পৰিৱৰ্তন উৎকৰ্ষ কেন্দ্ৰ স্থাপনত আগ্ৰহ প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি কেন্দ্ৰীয় বিজ্ঞান প্ৰযুক্তি বিভাগৰ সচিব ড০ অভয় কাৰাণ্ডিকাৰৰ সৈতে বৈঠকৰ পাছত ৰাজ্যিক বিজ্ঞান প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্তই এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, ৰাজ্যখনত বিজ্ঞান প্ৰযুক্তি জনপ্ৰিয়কৰণৰ লগতে উদ্ভাৱনীমূলক চিন্তা তথা কাম-কাজত উদগনি যোগোৱাৰ বাবে ৰাজ্য চৰকাৰলৈ কেন্দ্ৰীয় বিশেষ সহযোগিতা আগবঢ়াব। জলবায়ু পৰিৱৰ্তন বিষয়ক গৱেষণামূলক কাম-কাজৰ ক্ষেত্ৰত সামৰ্থ বৃদ্ধিত ৰাজ্যখনত সহায় কৰাৰ উপৰি অসমৰ জলবায়ু পৰিৱৰ্তন উৎকৰ্ষ কেন্দ্ৰ স্থাপন কৰা হ’ব। শ্ৰীমহন্তই সচিবগৰাকীৰ সৈতে এই সাক্ষাৎ কালত অসমত বিজ্ঞান প্ৰযুক্‌িৰ দ্ৰুত প্ৰসাৰ, আন্তঃগাঁথনি বিকাশ, নৱপ্ৰজন্মৰ মাজত বিজ্ঞান জনপ্ৰিয়কৰণ তথা উদ্ভাৱনীমূলক চিন্তাক উদগনি যোগোৱাৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ যুটীয়া পদক্ষেপসমূহ সন্দৰ্ভত আলোচনা কৰে। মন্ত্ৰী শ্ৰীমহন্তই অসমত উৎকৰ্ষ কেন্দ্ৰ স্থাপনৰ বাবে ৰাজ্য চৰকাৰৰ বিজ্ঞান প্ৰযুক্‌ি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ পৰা শীঘ্ৰে এখন অৱধাৰণা পত্ৰ তথা আনুষ্ঠানিক প্ৰস্তাৱ বিভাগটোক দাখিল কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। এই কাৰ্যসূচীত ৰাজ্যৰ বিজ্ঞান প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদৰ সঞ্চালক ড০ জয়দীপ বৰুৱায়ো অংশগ্ৰহণ কৰে।

০০০০

ছিকিমৰ মুখ্য সচিব ভি বি পাঠকে সংবাদ মাধ্যমৰ আগত সদৰী কৰিছে যে, ডাৱৰ বিস্ফোৰণৰ ফলত ৰাজ্যখনত সৃষ্টি হোৱা আকস্মিক বানত এতিয়ালৈকে ১৮ গৰাকী লোকে প্ৰাণ হেৰুওৱাৰ লগতে ২৬ গৰাকী লোক আঘাতপ্ৰাপ্ত হৈছে। তদুপৰি সেনাবাহিনীৰ জোৱানকে ধৰি ৯৮ গৰাকী লোক সন্ধানহীন হৈ

আছে বুলিও তেওঁ প্ৰকাশ কৰে। তেওঁ লগতে মংগন আৰু লাচুং জিলাত আবদ্ধ হৈ থকা পৰ্যটকসকল নিৰাপদে আছে বুলি প্ৰকাশ কৰে।

০০০০

শক্তি মন্ত্ৰ্যালয়ে ছিকিমত তিস্তা নৈৰ অৱবাহিকা অঞ্চলত আকস্মিক বানৰ ফলত সৃষ্টি হোৱা পৰিস্থিতি অহৰহ নিৰীক্ষণ কৰি আছে। শক্তি সচিব পংকজ আগৰৱালে এই সন্দৰ্ভত কালি ৰাষ্ট্ৰীয় জলবিদ্যুৎ নিগম লিমিটেডৰ বিষয়াসকলৰ সৈতে জৰুৰীকালীন বৈঠকত মিলিত হয়। শক্তি মন্ত্ৰ্যালয় আৰু কেন্দ্ৰীয় বিদ্যুৎ প্ৰাধিকৰণৰ জ্যেষ্ঠ বিষয়াসকল বৈঠকত উপস্থিত থাকে। তিস্তা নৈৰ অৱবাহিকা অঞ্চলত অলপতে অহা আকস্মিক বানৰ ফলত তিস্তা জলবিদ্যুৎ প্ৰকল্পৰ ৫ নম্বৰ কেন্দ্ৰৰ পৰা তাঁৰখোলা আৰু পম্ফ'ক পৰ্যন্ত নামনিৰ সকলো দলং পানীত বুৰ গৈ থকাৰ ফলত সেই অঞ্চলসমূহত যোগাযোগ ব্যৱস্থা বাৰুকৈ ব্যাহত হৈছে। শক্তি মন্ত্ৰ্যালয়ে কৈছে যে, বিদ্যুৎকেন্দ্ৰটো সম্প্ৰতি বন্ধ কৰি দিয়া হৈছে আৰু বিদ্যুৎ উৎপাদনৰ প্ৰক্ৰিয়াও বন্ধ হৈ আছে। ৰাষ্ট্ৰীয় জলবিদ্যুৎ নিগম লিমিটেডে ইয়াৰ প্ৰকল্পসমূহত নিয়োজিত লোকসকলক সময়মতে নিৰাপদ স্থানলৈ আঁতৰাই আনিছে বুলি মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে। অৱশ্যে তিস্তা জলবিদ্যুৎ প্ৰকল্পৰ ৫ নম্বৰ কেন্দ্ৰত এজন লোক হতাহত হোৱাৰ বাতৰি পোৱা গৈছে বুলি মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে। বানৰ ফলত ৰাষ্ট্ৰীয় জলবিদ্যুৎ নিগম লিমিটেডৰ ৫০০ মেগাৱাট ক্ষমতাসম্পন্ন তিস্তা জলবিদ্যুৎ প্ৰকল্পৰ নিৰ্মীয়মাণ ৬ নম্বৰ কেন্দ্ৰত কাম ব্যাহত হৈছে। প্ৰকল্পস্থলীত নিয়োজিত দুখন ক্ৰেন সন্ধানহীন হৈ আছে। ৰাষ্ট্ৰীয় জলবিদ্যুৎ নিগম লিমিটেডৰ এই জলবিদ্যুৎ প্ৰকল্পৰ কাম শীঘ্ৰেই আৰম্ভ কৰাৰ বাবে প্ৰয়াস অব্যাহত আছে। কেন্দ্ৰীয় চৰকাৰে্ বাঢ়নীপানী কমাৰ পাছত জলবিদ্যুৎ প্ৰকল্পটোৰ ক্ষয়-ক্ষতিৰ পুংখানুপুংখ মূল্যায়ন কৰিব। ৰাষ্ট্ৰীয় জলবিদ্যুৎ নিগম লিমিটেডে ৰাজ্য চৰকাৰ, দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষ আৰু জিলা প্ৰশাসনৰ সহযোগত ক্ষতিগ্ৰস্ত এলেকাসমূহত খাদ্য, ঔষধ আৰু বিদ্যুতৰ লেখীয়া অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান বৰ্তাই ৰখাৰ বাবে সম্ভাব্য সকলোধৰণে প্ৰয়াস চলাই আছে।

০০০০

ভাৰতে চীনত অনুষ্ঠিত এছিয়ান গেমছত এতিয়ালৈকে ২১টা সোণ, ৩২ ৰূপ আৰু ৩৩টা ব্ৰঞ্জসহ মুঠ ৮৬টা পদক লাভ কৰিছে। ভাৰত বৰ্তমান প্ৰতিযোগিতাৰ পদক তালিকাৰ চতুৰ্থ স্থানত আছে। এছিয়ান গেমছৰ ইতিহাসত এয়া ভাৰতৰ বৰ্তমানলৈ সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন। ইয়াৰ পূৰ্বে ভাৰতে জাকাৰ্তাত অনুষ্ঠিত অষ্টদশ এছিয়ান গেমছত ৭০টা পদক লাভ কৰিছিল। প্ৰতিযোগিতাৰ কালি দ্বাদশ দিনা ভাৰতৰ পুৰুষ আৰ্চাৰী দলে কম্পাউণ্ড শাখাৰ দলীয় শিতানত দক্ষিণ কোৰিয়াক ২৩৫-২৩০ ফলাফলত পৰাভূত কৰি সোণৰ পদক হস্তগত কৰে। ইয়াৰ পূৰ্বে জ্যোতি, পৰনীত আৰু অদিতিয়ে মহিলাৰ আৰ্চাৰীৰ কম্পাউণ্ড শাখাৰ দলীয় শিতানত সোণৰ পদক অৰ্জন কৰে। দলটোৱে চীনা টাইপেইৰ প্ৰতিদ্বন্দ্বীক ২৩০-২২৮ ফলাফলত পৰাস্ত কৰে। একেদৰে দিপীকা পল্লিকল আৰু হৰিন্দৰ পাল সিং সান্ধুৰ যুটিটোৱে স্কোৱাছৰ মিক্সড ডাবল্‌ছত মালয়েছিয়াৰ প্ৰতিদ্বন্দ্বীক পৰাভূত কৰি সোণৰ পদক হস্তগত কৰে। স্কোৱাছৰ পুৰুষৰ ছিংগল্‌ছত সৌৰভ ঘোষাল ৰূপৰ পদকতে সন্তুষ্ট থাকিবলগীয়া হয়। সৌৰভ আজি ফাইনেলত মালয়েছিয়াৰ ইন-য়াৱ-এনজিৰ হাতত ১-৩ ফলাফলত পৰাজিত হয়। ইপিনে, কাবাডীৰ পুল এৰ এখন খেলত আজি ভাৰতীয় পুৰুষ দলে জাপানক ৫৬-২৮ পইণ্টত পৰাস্ত কৰে। এই জয়ৰ সুবাদত ভাৰত প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰাটো নিশ্চিত হৈছে। ইপিনে, মহিলাৰ মল্লযুদ্ধৰ ৫৭ কিলোগ্ৰাম ওজন শাখাৰ এখন খেলত মানসীয়ে দক্ষিণ কোৰিয়াৰ বাৰ্ক জিঅ'নেজক ২-০ ফলাফলত পৰাস্ত কৰে। আনহাতে, মহিলাৰ মল্লযুদ্ধৰ ৫০ কিলোগ্ৰাম

ওজন শাখাত পূজা গেহলট কানাডাৰ মল্লযোদ্ধাৰ হাতত ৬-৯ ফলাফলত পৰাভূত হয়। এতিয়া খেলুৱৈগৰাকীয়ে ব্ৰঞ্জৰ পদকৰ বাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ইপিনে, অন্তিম পংঘালে মহিলাৰ ৫৩ কিলোগ্ৰাম ওজন শাখাত মংগোলিয়াৰ প্ৰতিদ্বন্দ্বীক পৰাস্ত কৰি ব্ৰঞ্জৰ পদক লাভ কৰে। বেডমিণ্টনত ভাৰতৰ এইচ এছ্ প্ৰণয়ে মালয়েছিয়াৰ লী-জি-জিয়াক পৰাস্ত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে। একেদৰে স্বাত্বিকছাৰিাজ ৰণকিৰেদ্দি আৰু চিৰাগ ছেট্টিৰ যুটীটোৱে ছিংগাপুৰৰ যুটীক ২১-৭,২১-৯ গেমত পৰাস্ত কৰি পুৰুষৰ ডাবলচৰ ছেমিফাইনেলত  স্থান নিশ্চিত কৰিছে। স্বাত্বিকছাৰিাজ আৰু আৰু চিৰাগৰ যুটীটো ছেমিফাইনেলত মালয়েছিয়াৰ আৰ'ন চিয়া আৰু ছুহ উই য়িকৰ সন্মুখীন হ'ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এছিয়ান গেমছত ভাৰতীয় খেলুৱৈসকলৰ অভূতপূৰ্ব প্ৰদৰ্শনক লৈ সন্তুষ্টি প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এলানি পোষ্টযোগে প্ৰধানমন্ত্ৰী মোদীয়ে দেশক গৌৰৱান্বিত কৰা ত্ৰুটিবিহীন প্ৰদৰ্শনৰ বাবে খেলুৱৈসকলক অভিনন্দন জনাইছে।

০০০০০০০

নিউজিলেণ্ডে য়োৱা নিশা আহমেদাবাদৰ মোটেৰাৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত এইবাৰৰ বিশ্বকাপ ক্ৰিকটে প্ৰতিযোগিতাৰ প্ৰথমখন খেলত ইংলেণ্ডক ৯ উইকেটতত পৰাস্ত কৰে। নিউজিলেণ্ডে ২৮৩ ৰাণৰ বিজয় লক্ষৰে খেল আৰম্ভ কৰি  ৩৬ অভাৰ আৰু দুটা বলত এটা উইকোট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়।ইয়াৰ পূৰ্বে ইংলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত ৯ উইকেটৰ বিনিময়ত ২৮২ ৰাণ কৰে।

গ্ৰতিযোগিতাত আজি পাকিস্তান নেডাৰলেণ্ডছৰ সন্মুখীন হ'ব। খেলখন হায়দৰাবাদত খেলোৱা হ'ব।

০০০০০০০

০০০০০

**ঃ সমাপ্ত ঃ**